# উন্নীত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে নথি সংগ্ৰহ আৰু আবেদন পত্ৰ পূৰণ কৰাৰ সন্দৰ্ভত চন্দ্ৰ শৰ্মা নামৰ কাল্পনিক লোক এজনৰ পৰিয়াল এটাই লোৱা ব্যৱস্থাৰ উদাহৰণ।

প্ৰথমে, চন্দ্ৰ শৰ্মাৰ পৰিয়ালৰ সদস্য সকলৰ লগত চিনাকি হৈ লওঁ।




ইয়াৰ পিছত এই পৰিয়ালটোৱে প্ৰয়োজনীয় নথি কেনেকৈ সংগ্ৰহ আৰু ব্যৱহাৰ কৰিছে সেয়া চাওঁ আহক।




*সাৰাংশ :*

*সদস্য ক্ৰমিক নং১ মীৰা শৰ্মাই* নিজৰ নামত থকা ১৯৬৬ চনৰ আগৰ নথিৰ সহায়ত নাম অন্তৰ্ভুক্তিৰ যোগ্যতা অৰ্জন কৰিছে।*

*সদস্য ক্ৰমিক নং২ চন্দ্ৰ শৰ্মাই পিতৃ স্বৰ্গীয় জনাৰ্দন শৰ্মাৰ* নামত থকা নথি আৰু পিতৃৰ লগত যোগসূত্ৰ স্থাপনৰ জৰিয়তে যোগ্যতা অৰ্জন কৰিছে।*

*সদস্য ক্ৰমিক নং৩ তৰালী দেৱী পিতৃ গণেশ বৰঠাকুৰৰ* নামত থকা নথি আৰু পিতৃৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপনৰ জৰিয়তে যোগ্যতা আহৰণ কৰিছে।*

*সদস্য ক্ৰমিক নং৪ উৎপল শৰ্মাই ককাক জনাৰ্দন শৰ্মাৰ* নামত থকা নথি আৰু ককাক জনাৰ্দন আৰু পিতৃ চন্দ্ৰ শৰ্মা আৰু নিজৰ মাজত যোগসূত্ৰ স্থাপনৰ জৰিয়তে যোগ্যতা আহৰণ কৰিছে।*

*সদস্য ক্ৰমিক নং৫ মনীষা কলিতা শৰ্মাই ককাক স্বৰ্গীয় নিপেন কলিতাৰ* নামত থকা নথি আৰু ককাক, মাতৃ সুস্মিতা কলিতা আৰু নিজৰ মাজত যোগসূত্ৰ স্থাপনৰ জৰিয়তে যোগ্যতা আহৰণ কৰিছে।*

*সদস্য ক্ৰমিক নং৬ তনুশ্ৰী শৰ্মাই আজো ককাক জনাৰ্দন শৰ্মাৰ* নথি আৰু আজো ককাক জনাৰ্দন, ককাক চন্দ্ৰ শৰ্মা আৰু দেউতাক উৎপল শৰ্মা আৰু নিজৰ মাজত যোগসূত্ৰ স্থাপনৰ জৰিয়তে যোগ্যতা আহৰণ কৰিছে।*

*১৯৭১ চনৰ ২৪ মাৰ্চ(মাজনিশা)ৰ আগৰ নথিত নাম থকা ব্যক্তি।

ওপৰৰ উদাহৰণটোত পৰিয়ালটোৰ সদস্যসকলে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ যোগ্যতা অৰ্জনৰ বাবে অৱলম্বন কৰিব পৰা বিভিন্ন উপায়ৰ ভিতৰত কেৱল এটা উপায়ৰ বিষয়েহে উল্লেখ কৰা হৈছে। এই পৰিয়ালটোৱে অন্য বহু প্ৰকাৰে এনে যোগ্যতা আহৰণ কৰিব পাৰে। উদাহৰণ স্বৰূপে-

✓১ নং সদস্য শ্ৰীমতী মীৰা শৰ্মাই তালিকা A ৰ অন্তৰ্ভুক্ত আন যিকোনো অনুমোদিত নথিও দাখিল কৰিব পাৰে।

✓২ নং সদস্য চন্দ্ৰ শৰ্মাই কোনো উপযুক্ত নথিৰ সহায়ত সম্পৰ্কৰ যোগসূত্ৰ প্ৰতিপন্ন কৰি তেখেতৰ মাতৃ মীৰা শৰ্মাৰ জৰিয়তে নাম অন্তৰ্ভুক্তিৰ যোগ্যতা অৰ্জন কৰিব পাৰে। এনে ক্ষেত্ৰত মাতৃ মীৰা শৰ্মা আৰু পুত্ৰ চন্দ্ৰ শৰ্মাৰ নাম একেলগে থকা কোনো নথি নাথাকিলেও, ২০১৪ চনৰ ভোটাৰ তালিকাখন য'ত জনাৰ্দন শৰ্মাৰ নাম চন্দ্ৰ শৰ্মাৰ পিতৃ আৰু মীৰা শৰ্মাৰ স্বামী হিচাপে উল্লেখ আছে - সেই ভোটাৰ তালিকাৰ জৰিয়তেই চন্দ্ৰ আৰু মাতৃ মীৰাৰ সম্পৰ্ক স্থাপন কৰিব পৰা যাব আৰু নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে মাকৰ জৰিয়তে চন্দ্ৰ শৰ্মাৰ যোগ্যতা প্ৰতিপন্ন হ'ব।

✓৪ নং সদস্য উৎপল শৰ্মাৰ ওচৰতো আন বিকল্প উপায় আছে। উৎপল শৰ্মাৰ পিতৃ চন্দ্ৰ শৰ্মাই যদি মাক মীৰা শৰ্মাৰ জৰিয়তে যোগ্যতা অৰ্জন কৰে, তেন্তে উৎপল শৰ্মায়ো পিতৃ চন্দ্ৰ শৰ্মাৰ জৰিয়তে আইতাক মীৰা শৰ্মাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপন কৰিব পাৰে। ইয়াৰ উপৰিও, উৎপল শৰ্মাই মাক তৰালী দেৱীৰ জৰিয়তে মাকৰ ফালৰ ককাক গণেশ বৰঠাকুৰৰ লগত সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণ কৰিও ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ যোগ্যতা আহৰণ কৰিব পাৰে।

✓৬ নং সদস্য তনুশ্ৰী শৰ্মাৰ ওচৰতো উপলব্ধ অন্যান্য বিকল্প উপায়ৰ মাজৰ পৰা পিতৃ উৎপল শৰ্মাই অৱলম্বণ কৰা উপায়কে গ্ৰহণ কৰি পিতৃ উৎপল শৰ্মা আৰু ককাক চন্দ্ৰ শৰ্মাৰ জৰিয়তে আজো আইতাক মীৰা শৰ্মাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ প্ৰতিপন্ন কৰি নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ যোগ্যতা অৰ্জন কৰিব পাৰে। তাৰোপৰি, তনুশ্ৰীয়ে মাক মনীষা কলিতা শৰ্মাৰ জৰিয়তে মাকৰ ফালৰ আজোককাক নিপেন কলিতাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ প্ৰমান কৰিও নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ যোগ্যতা অৰ্জন কৰিব পাৰে। তনুশ্ৰীৰ জন্মৰ প্ৰমান পত্ৰত ইতিমধ্যে মাক মনীষাৰ নাম নথিভুক্ত হৈ আছে যদি এইটো উপায় অৱলম্বণ কৰাটো তেওঁৰ বাবে অধিক সহজ হ'ব।

**এইদৰেই চন্দ্ৰ শৰ্মাৰ পৰিয়ালে উন্নীত কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে আৱশ্যকীয় নথি পত্ৰ গোটাই আবেদন পত্ৰ পূৰণ কৰিবলৈ সাজু হৈছে। আহকচোন, পৰৱৰ্তী পৃষ্ঠাত এই পৰিয়ালটোৱে কি দৰে আবেদন পত্ৰ পূৰণ কৰিছে চাওঁ...**

*সমূহ চৰিত্ৰ আৰু ব্যৱহৃত নথি পত্ৰ কাল্পনিক। বাস্তৱ ক্ষেত্ৰত যদি কাৰোবাৰ লগত কোনো মিল দেখা যায় সেয়া এক সংযোগ বুলি গণ্য হ'ব।



ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী, অসমৰ ৰাজ্যিক সমন্বয়কৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত

